**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি কিছু সময়ৰ পাছতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত উপস্থিত হ'ব।

২। ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত অপৰাধ নিৰ্মূলৰ অৰ্থে দুয়ো দেশৰ সীমান্ত সুৰক্ষা বাহিনীয়ে যুটীয়াভাৱে প্ৰচেষ্টা চলোৱাৰ বাবে সন্মত হৈছে।

৩। মহাৰাষ্ট্ৰৰ বিৰাৰ অঞ্চলত কালি নিশা এটা অট্টালিকা খহি পৰাৰ ফলত মুঠ ১৭ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৯ গৰাকী লোক আহত হয়।

৪। মুষলধাৰ বৰষুণৰ ফলত আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ লগতে জনজীৱন ব্যাহত হয়। *আৰু*

৫। বিশ্ব পেৰা এথলেটিকছ্ প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰা হয়।

ooooo

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি কিছু সময়ৰ পাছতে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত উপস্থিত হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত কাইলৈ হ'বলগীয়া এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী শুভাৰম্ভ কৰিব।

শ্ৰীশ্বাহে কাইলৈ খানাপাৰা খেলপথাৰত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। সন্মিলনৰ পূৰ্বে শ্ৰীশ্বাহে অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাত্মা আয়নকলিৰ জন্মবাৰ্ষিকী উপলক্ষে আজি নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মহাত্মা আয়নকলিক সামাজিক ন্যায় আৰু সৱলীকৰণৰ এক প্ৰতিমূৰ্তি বুলি অভিহিত কৰে। উল্লেখযোগ্য যে সমাজ সংস্কাৰক, শিক্ষাবিদ মহাত্মা আয়নকলিয়ে কেৰালাত জন্মগ্ৰহণ কৰিছিল আৰু তেওঁ পুলায়া সম্প্ৰদায়ৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে যুঁজ দিছিল। তেওঁ সমাজত জাত-পাতৰ বাধা নিষেধ আঁতৰোৱাৰ বাবে প্ৰচেষ্টা চলোৱাৰ লগতে দলিত

সম্প্ৰদায়ৰ শিশুৰ শিক্ষাৰ উদ্দেশ্যে বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। দলিত সম্প্ৰদায়ৰ একতা আৰু সবলীকৰণৰ বাবে মহাত্মা আয়নকলিয়ে **সাধু জন পৰিপালন সংঘম** প্ৰতিষ্ঠা কৰিছিল।

ooooo

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদে জনোৱা অনুসৰি ২০২৫ চনত ইৰাণ আৰু পাকিস্তানৰপৰা ২৩ লাখৰো অধিক আফগান শৰণাৰ্থী নিজ দেশলৈ উভতি আহিছে। ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী সংস্থাটোৱে আন্তৰাষ্ট্ৰীয় সমাজক এই জৰুৰীকালীন সময়ত সহায় কৰিবলৈ আহ্বান জনায়। ১ চেপ্তেম্বৰৰ ভিতৰত পাকিস্তানে ১০ লাখতকৈ অধিক আফগান শৰণাৰ্থীক বিতাড়িত কৰাৰ সময়সীমাই বিশেষকৈ মহিলা আৰু যুৱতী শৰণাৰ্থীৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। মানৱীয় সংস্থাসমূহে আফগানিস্তানত দৰিদ্ৰতা,নিবনুৱা সমস্যা আৰু অস্থিৰতা বৃদ্ধি পোৱাৰ আশংকা কৰিছে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদে পাকিস্তানক তালিবানৰ অধীনত মানৱ অধিকাৰৰ ক্ষেত্ৰত দিয়া ব্যক্তিগত গোচৰৰ মূল্যায়ণ কৰিবলৈ আহ্বান জনাইছে।

ooooo

ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত অপৰাধ নিৰ্মূলৰ অৰ্থে দুয়ো দেশে যুটীয়াভাৱে প্ৰচেষ্টা চলোৱাৰ বাবে সন্মত হৈছে। বাংলাদেশৰ ৰাজধানী ঢাকাৰ পিলখানাত অৱস্থিত সীমান্তৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত চাৰিদিনীয়া মহানিৰ্দেশক পৰ্যায়ৰ সীমান্ত সন্মিলনত দুয়ো দেশৰ প্ৰতিনিধিয়ে এটা যুটীয়া বিবৃতিযোগে এই প্ৰতিশ্ৰুতিৰ বিষয়ে প্ৰকাশ কৰে। ভাৰতৰ প্ৰতিনিধি দলটোক সীমান্ত সুৰক্ষা বাহিনীৰ মহানিৰ্দেশক দলজিৎ সিং চৌধুৰীয়ে নেতৃত্ব দিয়ে। ইফালে বাংলাদেশৰ প্ৰতিনিধি দলটোক বাংলাদেশ সীমান্তৰক্ষী বাহিনীৰ মহানিৰ্দেশক মেজৰ জেনেৰেল মহম্মদ আশ্ৰাফুজাম্মান চিদ্দিকিয়ে নেতৃত্ব দিয়ে। চোৰাং কাৰবাৰ, মানৱ সৰবৰাহ, অবৈধ প্ৰৱেশ আৰু সন্ত্ৰাসবাদ নিৰ্মূলৰ বাবে দুয়ো দেশৰ প্ৰতিনিধিয়ে সমন্বিত সীমান্ত পৰিচালনা পৰিকল্পনাত গুৰুত্ব প্ৰদান কৰে। প্ৰতিনিধিসকলে সীমান্তৰ জনসাধাৰণক শিক্ষিত কৰা, আৰ্থসামাজিক উন্নয়ন আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ স্থগিত আন্তঃগাঁথনিৰ প্ৰকল্পসমূহ সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। সীমান্তৰ শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে দুয়োখন দেশে সন্ত্ৰাসবাদী আৰু উগ্ৰবাদীৰ কাৰ্যকলাপ প্ৰতিৰোধৰ বাবে শূন্য সহনশীলতাৰ নীতিত একমত পোষণ কৰে। নদীৰ পাৰৰ সুৰক্ষা আৰু সীমান্তৰ বেৰ নিৰ্মাণৰ ক্ষেত্ৰত দুয়ো দেশে সহযোগিতা আগবঢ়োৱাৰ বাবেও প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে।

ooooo

মহাৰাষ্ট্ৰৰ পালঘৰ জিলাৰ বিৰাৰ অঞ্চলত কালি নিশা পুৰণি চাৰিমহলীয়া এটা অট্টালিকা খহি পৰাৰ ফলত মুঠ ১৭ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৯ গৰাকী লোক আহত হয়। অঞ্চলটোত উদ্ধাৰ অভিযান অব্যাহত আছে। চৰকাৰী সূত্ৰই ধ্বংসস্তূপৰ মাজত আৰু অধিক লোক আৱদ্ধ হৈ থকাৰ আশংকা প্ৰকাশ কৰিছে। কালি নিশা অট্টালিকাৰটোৰ একাংশ খহি পৰাৰ পাছতে অগ্নিনিৰ্বাপক বাহিনীয়ে ধ্বংসস্তূপৰ মাজৰ পৰা বৰ্তমানলৈ ২৪ গৰাকী লোকক উদ্ধাৰ কৰিছে। জিলা দণ্ডাধীশ ইন্দুৰাণী জাখাৰে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে তেওঁ কয়, যে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, আৰক্ষী আৰু পৌৰ নিগম কৰ্তৃপক্ষৰ তত্বাৱধানত উদ্ধাৰ অভিযান অব্যাহত আছে। ইফালে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছে এই দুৰ্ঘটনাত নিহত লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা নিহত লোকসকলৰ নিকটত্মায়ীলৈ ৫ লাখ টকাৰ সাহায্য ঘোষণা কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী গিৰিশ মহাজনে দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে উদ্ধাৰ অভিযানৰ পৰ্যালোচনা কৰে।

ooooo

বিয়লিৰ ভাগত অহা এজাক মুষলধাৰ বৰষুণৰ ফলত আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল বিশেষকৈ যোৰাবাট, খানাপাৰা, বৰাগাঁও, বেহৰবাৰী, নালাপাৰা, হাতীগাঁও, পাঞ্জাবাৰী, ৰুক্মিনীনগৰ, নবীন নগৰ, চানমাৰি আমবাৰিকে ধৰি বহু অঞ্চলত কৃত্রিম বানৰ সৃষ্টি হয়। এই অঞ্চলসমূহৰ পথ-উপপথত বৰষুণৰ পানী আৱদ্ধ হৈ পৰাৰ ফলত যান-জঁটৰ সৃষ্টি হোৱাৰ লগতে স্বাভাৱিক জনযাত্রা ব্যাহত হয়। ইফালে ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্রই অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীত বিজুলী-ঢেৰেকনিৰ সৈতে মুষলধাৰ বৰষুণ হোৱাৰ আগলি বতৰা প্রকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্রই অহা ২৪ ঘণ্টাত আহিবলগীয়া বৰষুণৰ ফলত মহানগৰীৰ বিভিন্ন অঞ্চল জলমগ্ন হোৱাৰ লগতে পাহাৰীয়া অঞ্চলসমূহত ভূমিস্খলন হোৱাৰ আশংকা প্রকাশ কৰিছে। মহানগৰ কর্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে জৰুৰীকালীন সেৱাসমূহ সাজু কৰি ৰাখিছে। প্রতিকূল বতৰৰ পৰিপ্রেক্ষিতত অসম ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা প্রাধীকাৰীয়ে মহানগৰীৰ জনসাধাৰণক প্রয়োজনীয় সাৱধানতা অৱলম্বনৰ বাবে আহ্বান জনাইছে।

০০০০০

জম্মু কাশ্মীৰৰ অধকুৱাৰীৰ যাত্রাপথত সংঘটিত ভয়াৱহ ভূমিস্খলনত কেবাজনো লোকৰ প্রাণ হানি হোৱাৰ লগতে বহু লোক আহত হোৱাৰ পাছত আজি একেৰাহে তৃতীয় দিনৰ বাবে ৰিয়াছি জিলাৰ ত্রিকুটা পাহাৰৰ ওপৰত শ্রী মাতা বৈষ্ণো দেৱী যাত্রা স্থগিত ৰখা হৈছে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা মতে চলিত সপ্তাহৰ আৰম্ভণিতে সংঘটিত এই ভয়াৱহ দুর্ঘটনাই সমগ্র অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। প্রশাসনে তীর্থযাত্রীসকলৰ সুৰক্ষা আৰু নিৰাপত্তাক অগ্রাধিকাৰ দিছে বুলি বিষয়াসকলে জানিবলৈ দিয়ে। শ্রীমাতা বৈষ্ণোদেৱী ব'ৰ্ডে ভক্তসকলক তীর্থযাত্রাৰ বাবে পৰৱৰ্তী জাননী নোপোৱালৈকে আগবাঢ়ি নাহিবলৈ আহ্বান জনাইছে। অতি সোনকালে তীর্থযাত্রা নিৰাপদে পুনৰ আৰম্ভ হোৱাটো নিশ্চিত কৰিবলৈ জ্যেষ্ঠ বিষয়াসকলে পুনৰুদ্ধাৰৰ কাম তীক্ষ্ণভাৱে নিৰীক্ষণ কৰি আছে। ইপিনে স্থানীয় লোকে আৱদ্ধ ভক্ত আৰু ভুক্তভোগীৰ পৰিয়ালক সহায়ৰ বাবে আগবাঢ়ি আহিছে। সহায় আৰু যোগাযোগৰ সুবিধাৰ বাবে বিশেষ হেল্পলাইন নম্বৰো সক্রিয় কৰা হৈছে। প্রশাসনে জনসাধাৰণক ধৈর্য ধৰিবলৈ তথা উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। যাতায়াতৰ বাবে এই পথটো সম্পূর্ণ সুৰক্ষিত ঘোষণা কৰাৰ পাছতহে তীর্থযাত্রা পুনৰ আৰম্ভ কৰিবলৈ নির্দেশ দিয়া হৈছে।

০০০০০

পাকিস্তানৰ পঞ্জাৱ প্রদেশত হোৱা বানত যোৱা ২৪ ঘণ্টাত কমেও ১৭ গৰাকী লোকৰ মৃত্যু হয়। ছুটলেজ, ৰবি আৰু চেনাব নৈৰ বাঢ়নি পানীৰ ফলত বিভিন্ন অঞ্চলত বানৰ সৃষ্টি কৰাৰ লগতে বহুসংখ্যক আন্তঃগাঁথনি ধবংস হৈছে। বানৰ ফলত কৃষিভূমিৰ বিস্তৰ ক্ষতি হৈছে। পঞ্জাৱৰ জৰুৰীকালীন সেৱা বিভাগৰ তথ্য মতে বানত নিহত হোৱা ১৭ গৰাকীৰ ৭ গৰাকী শিয়ালকোটৰ, ৪ গৰাকী গুজৰাটৰ, ৪ গৰাকী নাৰোৱালৰ, দুগৰাকী হাফিজাবাদৰ আৰু এগৰাকী গুজৰানৱালাৰ বাসিন্দা আছিল।

০০০০০

জাপানত আজি দক্ষিণ-পশ্চিম কিউছু দ্বীপৰ মাউন্ট শ্বিনমোইত প্রায় ৫হাজাৰ ৫০০ মিটাৰ পর্যন্ত আগ্নেয়গিৰি উদ্গীৰণ সংঘটিত হৈছে। জাপান বতৰ বিজ্ঞান সংস্থাই জনোৱা অনুসৰি কাগোছিমা আৰু মিয়াজাকিৰ মাজেৰে স্থানীয় সময়মতে পুৱা ৪ বাজি ৫৩ মিনিটত এই আগ্নেয়গিৰিৰ উদ্গীৰণ হয়। সংস্থাটোৱে লেভেল 3 ৰ এলাৰ্টেৰে স্থানীয় লোকক কাগোছিমা আৰু মিয়াজাকিৰ ওচৰে পাজৰে নাযাবলৈ নির্দেশ দিছে। উল্লেখযোগ্য,যে ২০১৮ চনৰ জুন

মাহৰ পাছত উদ্গীৰণ ঘটা জাপানৰ ৫০টা সক্ৰিয় আগ্নেয়গিৰিৰ ভিতৰত মাউন্ট শ্বিনমোই অন্যতম।

০০০০০

বিশ্ব পেৰা এথলেটিকছ্ প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো কালি ঘোষণা কৰা হয়। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অহা ২৭ ছেপ্তেম্বৰৰ পৰা এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৯ গৰাকী মহিলা খেলুৱৈ থকা ৭৩ জনীয়া ভাৰতীয় দলটোক জেভলিন তাৰকা খেলুৱৈ সুমিত অন্তিলে নেতৃত্ব দিব। দেশত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত পেৰিছ্ পেৰালিম্পিকৰ ক্লাব থ্ৰ'ত সোণৰ পদক বিজয়ী ধৰমবীৰ নেইন আৰু দুটাকৈ ব্ৰঞ্জৰ পদক বিজয়ী দৌৰবিদ প্ৰীতি পলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। উল্লেখযোগ্য যে পেৰালিম্পিকত তিনিবাৰকৈ হাই জাম্পত পদক বিজয়ী মাৰিয়াপন থেংগাভেলু আৰু টকিঅ' আৰু পেৰিছ পেৰালিম্পিকত ক্ৰমে ব্ৰঞ্জ আৰু ৰূপৰ পদক বিজয়ী হাই জাম্প খেলুৱৈ শ্বাৰদ কুমাৰ ভাৰতীয় দলটোৰ পৰা বাহিৰ হৈছে।

০০০০০

তাৰকা খেলুৱৈ ন'ভাক জ'ক'ভিচে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জাচাৰী স্বাজডাক পোনপটীয়া ছেটত পৰাস্ত কৰি ইউ এছ্ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত আধিপত্য অব্যাহত ৰাখিছে। ছাৰ্বিয়াৰ খেলুৱৈগৰাকীয়ে স্বাজডাক ৬-৩, ৬-৩, ৬-১ ছেটত পৰাস্ত কৰে। ইপিনে, প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগল্ছৰ আন এখন খেলত স্পেইনৰ কাৰ্লোছ্ অল্কাৰাজে ইটালীৰ মাটিয়া বেলুচীক ৬-১, ৬-০, ৬-৩ ছেটত পৰাভূত কৰে।

মহিলাৰ ছিংগলছত জাপানৰ নাওমী ওছাকাই বেলজিয়ামৰ গ্ৰীট মিনেনক ৬-৩, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। মহিলাৰ ছিংগলছৰ আন এখন খেলত ৰাছিয়াৰ মিৰা এন্ড্ৰিভাই সতীৰ্থ খেলুৱৈ অনাচটাছিয়া পোটাপ'ভাক পোনপটীয়া ছেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত